অধ্যায় ৩ : বৈকুণ্ঠনাথ ভট্টাচার্য – বিশ্বৰূপ দৰ্শন

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মূল পাঠ

৩.৪ মূল পাঠৰ বিষয়বস্তু

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভট্টদেৱৰ গীতা-কথাৰ 'বিশ্বৰূপ দৰ্শন' অধ্যায়ৰ মূল বিষয়বস্তু সম্বন্ধে জানিব পাৰিব।
- ভগৱান শ্ৰীকৃষ্ণৰ বিশ্বৰূপৰ মহিমা আৰু তাৎপৰ্য বুজিব পাৰিব।
- অৰ্জুনৰ মানসিক অৱস্থা আৰু তেওঁৰ আধ্যাত্মিক উপলব্ধি সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব।
- ভক্তি, ঈশ্বৰবিশ্বাস আৰু আত্মসমৰ্পণৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিব।
- ভগৱদ্গীতাত বৰ্ণিত কৰ্ম, ধৰ্ম আৰু ঈশ্বৰ-তত্ত্বৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।
- ভট্টদেৱৰ ব্যাখ্যাৰ মাজেদি নৱবৈষ্ণৱ আধ্যাত্মিক চিন্তাধাৰাৰ স্বৰূপ বুজিব পাৰিব।

৩.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আমি অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ জীৱন, সাহিত্যসাধনা আৰু সাহিত্যিক অৱদানৰ বিষয়ে অধ্যয়ন কৰিছিলোঁ। সেই অধ্যায়ত ভট্টদেৱৰ প্ৰধান ৰচনাসমূহ, তেওঁৰ গদ্যৰীতি আৰু গদ্যশৈলীৰ বৈশিষ্ট্য, লগতে অসমীয়া গদ্য সাহিত্যৰ বিকাশত তেওঁৰ অনন্য অৱদানৰ বিষয়ে জানিবলৈ সক্ষম হৈছিলোঁ। ইয়াৰ উপৰিও জটিল ধৰ্মীয় আৰু দাৰ্শনিক বিষয়বস্তু সাধাৰণ পাঠকৰ বাবে সহজভাৱে উপস্থাপন কৰাৰ ক্ষেত্ৰত ভট্টদেৱৰ কৃতিত্ব আৰু চৰিতপুথি, বুৰঞ্জী তথা ভট্টদেৱৰ গদ্যৰ মাজৰ পাৰ্থক্যৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি ভট্টদেৱৰ *গীতা-কথাৰ* অন্তৰ্গত *বিশ্বৰূপ দৰ্শন* অধ্যায়ৰ বিষয়বস্তু অধ্যয়ন কৰিম। ইয়াৰ জৰিয়তে ভগৱান শ্ৰীকৃষ্ণৰ বিশ্বৰূপৰ মহিমা আৰু তাৎপৰ্য, অৰ্জুনৰ মানসিক অৱস্থা আৰু তেওঁৰ আধ্যাত্মিক উপলব্ধিৰ বিষয়ে জানিব পাৰিম। লগতে ভক্তি, ঈশ্বৰবিশ্বাস, আত্মসমৰ্পণ, কৰ্ম আৰু ধৰ্মৰ আদৰ্শ সম্পৰ্কে জ্ঞান লাভ কৰাৰ উপৰিও ভগৱদ্গীতাত প্ৰতিপাদিত ঈশ্বৰ-তত্ত্বৰ বিষয়ে ধাৰণা লাভ

কৰিব পাৰিম। ভট্টদেৱৰ ব্যাখ্যাৰ মাজেদি নৱবৈষ্ণৱ আধ্যাত্মিক চিন্তাধাৰাৰ স্বৰূপো অধিক স্পষ্টভাৱে উপলব্ধি কৰিবলৈ সক্ষম হ'ম।

৩.৩ মূল পাঠ

ভগৱন্তে পৰম কৃপায়ে বিভূতি বৈভৱ কহি অর্জুনৰ দেখিবে ইচ্ছা দেখি বিশ্বৰূপ দেখাইলা। পূর্ব্ব অধ্যায়ৰ অন্তত এক অংশে মঞি জগতক ধৰি আছো বুলি বিশ্বৰূপ পৰমেশ্বৰক কহিলা। তাকে দেখিবে ইছায়ে পূর্ব্বোক্তক অভিনন্দা কৰি অর্জুনে পোছন্ত, 'হে পৰমেশ্বৰ, মোৰ শোক নিবৃত্তিৰ অর্থে পৰম গোপনীয় পৰমাত্মনিষ্ঠ আত্মানাত্মা বিবেক দ্বিতীয় অধ্যায়ৰ পৰা ষষ্ঠ অধ্যায় পর্য্যন্ত যি বাক্য কহিলা সেই বচনে মোৰ মোহ নষ্ট হৈল। ১।। তোমাৰ সকাশত জগতৰ সৃষ্টি লয় হয়, আকো বিস্তৰ শুনিলো। তোমাৰ অব্যয় মহিমাকো শুনিলো। জগতৰ সৃষ্টি আদি কর্ত্তা হৈলেয়ো অবিকাৰ, সর্ব্বনিয়ন্তা হৈলেয়ো অবৈষম্য, শুভাশুভ কর্ম্ম কৰিলেয়ো অসঙ্গ বন্ধমোক্ষ বিচিত্রফল দিতেয়ো উদাসীন ইত্যাদি লক্ষণ অপৰিমিত মহিমা শুনিছো। এতেকে তোমাৰ পৰতন্ত্রলোকৰ অহংকর্ত্তা হেন মোহ দূৰ গৈল। ২।। হে পৰমেশ্বৰ, ইদানীক কহিছা এক অঙ্গে জগতক ধৰিছো, আতো মোৰ অবিশ্বাস নাই। তথাপি হে পুৰুষোত্তম, জ্ঞান, ঐশ্বর্য্য শক্তি বীর্য্য তেজ সম্পন্ন তোমাৰ ঈশ্বৰ ৰূপক মঞি কৌতুকত থাকি দেখিবে ইছা কৰো। ৩।। তাক যদি ভাল দেখা, মঞি যদি দেখিবে শক্য হওঁ, তেবে হে যোগেশ্বৰ, সেই ৰূপক দেখাৱা।' ৪।।

এমনে প্রার্থনা কৰিলে অত্যন্ত অদ্ভুত ৰূপ দেখাইতে সাৱধান হোৱা বুলি অর্জুনক সমুখ কৰন্ত। 'হে অর্জুন, মোৰ নানাবিধ দিব্য শত-সহস্র ৰূপ দেখা, যাত নানা বর্ণ আকাৰ আছে। এক ৰূপ হন্তেয়ো নানাবিধ পদে বহুবচন কহিলা। ৫।। মোৰ ৰূপত দ্বাদশ আদিত্য, অষ্টবসু, দুই অশ্বিনীকুমাৰ, উনপঞ্চাশত বায়ু, আনো অপূর্ব্ব অদৃষ্ট আর্য্যেসৱ দেখা। ৬।। তৈতে তেন্তে ফুৰন্তাজনেয়ো বর্ষকোটিতো দেখিবে অশক্য। চৰাচৰ জগতক এই মোৰ দেহত একে ঠাই দেখা। ৭।। আনো জগতৰ আশ্রয় কাৰণ জয় পৰাজয় দিয়ে যাক যাক দেখিবে ইচ্ছা কৰা তাক মোৰ ৰূপত দেখা। ৭।। এই আপুনাৰ চর্ম্মচক্ষুৰে মোক দেখিবাক শক্য নহৈবা। এতেকে অলৌকিক জ্ঞানচক্ষু তুমাক দেওঁ, যি চক্ষুৰে মোৰ অসাধাৰণ ঐশ্বর্য্য অঘটঘটনাচাতুর্য্যক দেখা।' ৮।।

এই কথা ধৃতৰাষ্ট্রৰ প্রতি সঞ্জয় কহন্তঃ এহি বুলি ভগৱন্তে অর্জুনক প্রতি ঈশ্বৰ ৰূপ দেখাইলা। ৯।। যাত অনেক মুখ নেত্র, নানাবিধ দিব্য অলংকাৰ, অদ্ভুত অনেক আয়ুধ, অনেক আর্য্যে দর্শন আছে। দিব্য পুষ্প পৰিধান কৰিছা, দিব্য গন্ধ-চন্দন যাত আছে, যিসকল আর্য্যে প্রায় প্রকাশময়, অপৰিচ্ছিন্ন, সর্ব্বতোমুখ, বিশ্বৰূপ দীপ্তিৰ নিৰূপম কহন্ত। ১০-১১।। যদি আকাশত একেলগে সূর্য্য সহস্র উদয় হয়, তাৰো যদি একেলগে প্রভাসৱ হয় তেবে বিশ্বৰূপ দীপ্তিৰ কথঞ্চিত সদৃশ হয়। ১২।। সেই ভগৱন্তৰ শৰীৰত নানাৰূপে স্থিত সকল জগতক পাণ্ডৱে দেখি মহাবিস্ময় লভি লোমাঞ্চিত হয়া ভগৱন্তক শিৰে প্রণাম কৰি কৃতাঞ্জলি হুয়া বুলিবে লাগিলা। ১৩-১৪।।

'হে দেৱ, তোমাৰ দেহত দেৱসৱ দেখো, প্রাণী সমূহ, নিঃশেষ ঋষি, মহা সর্পসৱ, সবাৰে ঈশ্বৰ ব্রহ্মাক তোমাৰ নাভিপদ্মত দেখো। ১৫।। তোমাকো অনেক বাহু-উদৰ-মুখ-নেত্র অনন্তৰূপ, আদি, অন্ত-মধ্যহীন বিশ্বৰূপ দেখো। হে বিশ্বেশ্বৰ, বিস্তৰ কিৰীটি গদাচক্র ধৰিছা। সর্ব্বতো দীপ্তিমন্ত তেজঃপুঞ্জ ৰূপ দেখিবাকো অশক্য দীপ্তিমন্ত অগ্নি সূর্য্যসম প্রমাণ কৰিতে অশক্য দেখো। ১৬-১৭।। এতেকে জানো

পৰমব্ৰহ্ম মুমুক্ষৰ বেদ্য, বিশ্বৰ আশ্রয়, অব্যয়, নিত্য, ধৰ্ম্মৰ পালক, সনাতন পুৰুষ, উৎপত্তি, লয়, স্থিতিশূন্য, অনন্তবীৰ্য্য, অনন্তবাহু, যাৰ নেত্রত চন্দ্র-সূৰ্য্য, মুখত অগ্নি, আপুনাৰ তেজে বিশ্বক প্রকাশ কৰিবে লাগিছা। ১৮-১৯।। স্বৰ্গ-পৃথ্বীৰ মধ্য আকাশক দশোদিশক তুমি একেশ্বৰে ব্যাপি আছা। তোমাৰ অপূৰ্ব্ব, অদৃষ্ট অদ্ভুত ঘোৰৰূপ দেখি তিনিয়ো লোক অতি ভীত হল। ২০।। দেৱসমুহ শৰণ পৈশে। কতোসৱ মহাভয়ে দূৰতে থাকি অঞ্জলি কৰি জয় জয় ৰক্ষ ৰক্ষ বুলি প্রার্থনা কৰে। মহর্ষিসৱ, সিদ্ধসৱ জয়-স্তুতি বুলি নানা স্তোত্র পঢ়ি তুতি কৰন্ত। ২১।। ৰুদ্রগণ, আদিত্যসৱ, অষ্টবসুসৱ, সাধ্যসমুহ, বিশ্বদেৱগণ, অশ্বিনীকুমাৰ, মৰুতগণ, পিতৃগণ, গন্ধৰ্ব্ব-যক্ষ-ৰাক্ষস-অসুৰগণ, সিদ্ধগণ, এসৱো বিস্ময় হয়া চায়া আছে। ২২।। হে মহাবাহো, তোমাৰ বিস্তৰ মুখ-নেত্র-বাহু-দন্ত-উৰু-পাদযুক্ত অতিশয় ঘোৰৰূপ দেখি সকলো লোক মঞিসমে মহা ভয় হয়াছে। ২৩।। তোমাৰ আকাশব্যাপি দীপ্ত তেজোযুক্ত অনেক-বৰ্ণ, ব্যক্তমুখ, বিশাল নেত্র ৰূপ দেখি ব্যথিতচিত্ত হয়া শান্তিধৃতি দুইকো নপাঞু। ২৪।। হে দেৱেশ, কৰালদন্তযুক্ত প্রলয়াগ্নিসম মুখসৱদেখি মহাভয়ে দিশ বিদিশ নজানো, সুখকো নলভো। হে জগন্নিবাস, প্রসন্ন হৱা। ২৫।। এই ধৃতৰাষ্ট্রৰ পুত্র দুর্য্যোধনাদি বীৰসৱ, জয়দ্রথাদি ৰাজাসৱসমে ভীষ্ম দ্রোণ কর্ণ, আমৰাসৱৰো শিখণ্ডি, ধৃষ্টদ্যুম্নাদি বীৰসৱো মহাবেগে যায়া তোমাৰ মহাঘোৰ দন্তযুক্ত ভয়ঙ্কৰ মুখত প্রৱেশ হয়। কতোসৱ চূৰ্ণীকৃতশিৰহয়া দন্তসন্ধিত লগ্ন হয়াছে। ২৬-২৭।। যেন অনেকপথে নদীসৱ অনেক মুখে আসি সমুদ্রত পশে, তেমনে এই লোকৰ বীৰসৱ আসি তোমাৰ দীপ্তিমন্ত মুখত প্রৱেশ হয়। ২৮।। অনিছা প্রৱেশত দৃষ্টান্ত কহি বুদ্ধি-পূৰ্ব্বক প্রৱেশত দৃষ্টান্ত কহো, যেন প্রদীপ্ত অগ্নিত ফৰিঙ্গাসৱ মহাবেগে আসি মৰিতে লাগি পৰে, তেমনে লোকসৱো তোমাৰ মুখত পৈশে। ২৯।। তুমিয়ো সকল বীৰকে জাজ্বল্যমান মুখে অতিশয় ৰূপে ভক্ষণ কৰা। হে বিষ্ণো, তোমাৰ উগ্রদীপ্তি সৱ সকলো লোককে ব্যাপিয়া প্রকাশ কৰে। ৩০।। তুমি উগ্রৰূপ কোন, আক মোত কহা, হে দেৱবৰ, তোমাক নমস্কাৰ কৰো, প্রসন্ন হৱা। তুমি আদি পুৰুষক জানিবে ইচ্ছা কৰো। কি নিমিত্তে তুমি এমনে প্রৱর্ত্তা তাক নজানো।' ৩১।।

এই প্রার্থনা শুনি ভগৱন্তে কহন্ত— 'হে সখি, মই লোকৰ ক্ষয়কর্ত্তা উৎকট কাল, লোকক সংহৰিবে লাগি প্রৱর্ত্তিছো। তুমাত বিনে এই যুদ্ধত কেয়ো নৰহিব, এতেকে যুদ্ধক প্রতি উঠা। ৩২।। দুর্জ্জয় ভীষ্মাদিক জিনি যশস্যা লভা। অর্জ্জুন, শত্রু জিনি সমৃদ্ধ ৰাজ্যভোগ কৰা। এই তোমাৰ শত্রুসৱ পূৰ্ব্বত মঞি প্রায় নিহত কৰিলো, তথাপি তুমি সব্যসাচী নিমিত্ত মাত্র হৱা। ৩৪।। যাক যাক অর্জ্জুনৰ শঙ্কা তাক দূৰ কৰন্ত। দ্রোণ ধনুর্ব্বেদৰ আচার্য্য পৰশুৰামৰ শিষ্য দিব্যাস্ত্রে সম্পন্ন আপুনাৰ গুৰু ইষ্ট; ভীষ্ম স্বচ্ছন্দ-মৃত্যু, দিব্যাস্ত্রত নিপুণ, পৰশুৰামকো দ্বন্দ্বযুদ্ধত সন্তোষিছা; জয়দ্রথৰো পিতা তপ আচৰে— 'মোৰ পুত্রৰ শিৰ ভূমিত যি পেলাৱৈ তাৰো শিৰ ভূমিত পাৰো' বুলি। কর্ণ সূৰ্য্যৰ পুত্র, ইন্দ্রদত্ত শক্তিয়ে অমোঘ যুদ্ধসম্পন্ন। এমনে তুমি যাক শঙ্কা কৰা তাক মঞি আগে বধিলো। তাকে তুমি বধ কৰিতে কিছো শঙ্কা নকৰিবা। অৱশ্যে যুদ্ধত দুর্য্যোধনাদি শত্রুসৱক জিনিবা। ৩৪।।

এই কথাক ধৃতৰাষ্ট্রৰ প্রতি সঞ্জয়ে কহন্ত— 'এমনে কেশৱৰ বচন শুনি অর্জ্জুন কম্পমান হুয়া অঞ্জলি কৰি, অৱনত হুয়া, নমস্কাৰ কৰি, মহাভয় হয়া গদ্‌গদ বচনে বুলিবে লাগিল। ৩৫।। হে হৃষীকেশ, তুমি অদ্ভুত প্রভাৱ, ভক্তবৎসল। এতেকে তোমাৰ মাহাত্ম্য সংকীর্ত্তনে মঞি মাত্র হর্ষ পাঞু ই নহে, কিন্তু সকল জগতে হর্ষ কৰে, অনুৰাগো লভে। ৰাক্ষসসৱে মহাভয় হুয়া দশোদিশ পলায়, সকল

সিদ্ধ নমস্কাৰ কৰে ই যুক্ত হয়। ৩৬।। হে অনন্ত, হে দেৱেশ, হে জগন্নিবাস, হে মহাত্মন, কি হেতু লোকে তুমাক নমস্কাৰ নকৰিব, যাতো তুমি ব্রহ্মাৰ গুৰু, পিতৃ, কার্য্য-কাৰণ পৰম ব্রহ্ম। তুমি আদিদেৱ, পুৰাণ পুৰুষ, জগতৰ লয় স্থান সবাৰো বেত্তা, জ্ঞাতব্য বস্তু, পৰম আশ্রয়, অপৰিমিত বিশ্বক তুমি ব্যাপিছা। ৩৭-৩৮।। বায়ু, যম, অগ্নি, বৰুণ, চন্দ্র, প্রজাপতি আদি সকলো দেৱতা তুমি, এতেকে পুনু পুনু নমস্কাৰ কৰো।' ৩৯।। শ্রদ্ধা ভক্তিৰ অতিশয় নমস্কাৰত তৃপ্তি নাই, বাৰম্বাৰ নমস্কাৰ কৰন্ত। 'হে, সর্ব্বেশ্বৰৰূপ, আগে পাছে সকলদিশে তোমাক নমস্কাৰ কৰো, তুমি অনন্তবীর্য্য, অপৰিমিত বিক্রম, সকল বিশ্বকে বাহিৰে ভিতৰে ব্যাপি আছা।' ৪০।। ইদানীক ভগৱন্তক ক্ষমা কৰন্তঃ— 'তোমাক প্রকৃত সখি মানি হঠাতে অৱজ্ঞা কৰি 'কৃষ্ণ, 'যাদৱ, 'সখি' বুলিলো। তুমাৰ মহিমা বিশ্বৰূপক নজানি প্রমাদত বা স্নেহত বা পৰিহাসঅর্থে বিহাৰ শয্যা আসন ভোজন শয়ন, সখিসৱৰ আগত কেৱলে যি তিৰস্কাৰ কৰিলো তাক অচিন্ত্যপ্রভাৱ তুমাক ক্ষমা কৰাঞু। ৪১-৪২।। হে অনুপমপ্রভাৱ, চৰাচৰ জগতৰ তুমি পিতৃ-মাতৃ, পূজ্য গুৰু, তিনিয়ো লোকত তুমাৰ সমান নাই, অধিক কৈত আছে? এতেকে জগত ঈশ্বৰ তুমাক দণ্ডৱতে পৰিপ্রসন্ন কৰাঞু। যেন পুত্রৰ অপৰাধক পিতৃয়ে সহে, মিত্রৰ দোষক মিত্রে নধৰে, প্রিয়ৰ অৱজ্ঞাক প্রিয়ে নগণে, তেমনে মোৰ অপৰাধক সহিবে যোগ্য হোৱা।' ৪৩-৪৪।। এমনে ক্ষমা কৰাই প্রার্থনা কৰন্ত, 'হে দেৱ, পূর্ব্ব অদৃষ্ট তোমাৰ ৰূপ দেখি প্রথমে হর্ষ হৈলো, পাছে ভয়ে কম্পিলো। এতেকে মোৰ নিবৃত্তিৰ অর্থে, হে দেবেশ, হে জগন্নিবাস, প্রসন্ন হোৱা। ৪৫।। সেই ৰূপক দেখাৱা যাৰ শিৰত কিৰীটি, হস্তত গদাচক্র, যেমনে পূর্ব্বত দেখিছো। হে সহস্রবাহো, হে বিশ্বমূর্ত্তে, ই ৰূপ উপসংহৰি সেই চতুর্ভুজৰূপে আৱির্ভাৱ হোৱা। এতেকে পূর্ব্বতো চতুভুর্জৰূপ ধৰিছা।' ৪৬।। এমনে প্রার্থিতক আশ্বাস কৰি ভগৱন্তে বোলন্ত— 'হে অর্জুন, কেনে ভয় কৰা। মঞি প্রসন্ন হয়া যোগমায়াবলে কৃপায় তোমাক ই ৰূপ দেখাইলো। এই তেজোময় বিশ্বাত্মক অনন্ত আদ্য মোৰ ৰূপক তুমাৰ সম ভক্তবিনে কেঞে নতো দেখে। ৪৭।। যজ্ঞ, বেদপাঠ, দানকর্ম্ম, তপ আচৰিয়ো ই ৰূপ দেখিবে শক্য নহে। কিন্তু তুমি মোৰ প্রসাদে দেখি কৃতার্থ হৱা। ৪৮।। এই ঘোৰ ৰূপ দেখি তুমাৰ বেথা নহোক। নির্ভয় হয়া প্রীতমনে পুনু মোৰ সেই ৰূপ দেখা।' ৪৯।।

সঞ্জয়ে কহন্তঃ "বাসুদেৱ অর্জ্জুনক এই বাক্য বুলি আপুনাৰ শ্যামসুন্দৰ কমললোচন চতুভুর্জ শঙ্খচক্রগদাপদ্মধৰ ৰূপ দেখাইলা, তথাপি অর্জ্জুনৰ ভয় দেখি কৃপায়ে পুনু মনুষ্যকাৰ শান্তৰূপ হুয়া আশ্বাস কৰিলা। ৫০।। তেৱে নির্ভয় হয়া অর্জ্জুনে বোলন্ত— 'হে জনার্দ্দন, তোমাৰ শান্ত মনুষ্যৰূপ দেখি মঞি প্রসন্নচিত্ত ভৈলো, তোমাকো জানি স্বস্থ ভৈলো।' ৫১।। আপুনি যি অনুগ্রহ কৰিলা তাক দুর্ল্লভ দেখাই ভগৱন্তে বোলন্ত— 'হে সখি, তুমি কি মোৰ বিশ্বৰূপ দেখিলা আক অত্যন্তৰূপে দেখিবে অশক্য। দেৱসৱো সদায়ে ই ৰূপ ইছা কৰি নেদেখে, তাৰ হেতু শুনা। ৫২।। বেদপাঠ, তপস্যা দান যজ্ঞ কৰিয়ো তুমি যাক দেখিলা তাক দেখিবে নতো পায়। ৫৩।। তেবে কি উপায়ে পাৱে তাক কহন্ত – মোত একনিষ্ঠ ভক্তিয়ে মোৰ বিশ্বৰূপক শাস্ত্রদ্বাৰে জানিবে পাৱে; প্রত্যক্ষে দেখিবে পাৱে। সেই ৰূপত প্রৱেশ হৈবাকো পাৱে, আন উপায়ে নপাৱে। ৫৪।। এতেকে সকল শাস্ত্রৰ সাৰ অর্থ পৰম ৰহস্য কহো, সাৱধানে শুনা। পুৰুষে মোৰ অর্থে কর্ম্ম কৰিব; মোকে পুৰুষার্থ মানি মোক আশ্রয় কৰিব। পুত্রাদিৰ সঙ্গ এড়িব, কাৰো লগত বৈৰ নকৰিব। যি এমনে মোত ভক্তি কৰে সি মোক সাক্ষাতে পাৱে, আনে নপাৱে।' কোটি তপযজ্ঞাদি কৰিয়ো দেৱসৱো যাক দেখিবে নপাৱৈ, হেন বিশ্বৰূপক ভগৱন্তে ভক্ত অর্জ্জুনক দেখাইলা। ৫৫।।

ইতি শ্রীভগৱদ্‌গীতাকথায়াং বিশ্বৰূপদর্শনোনাম একাদশোইধ্যায়ঃ। ১১।।

হে সাধুসৱ দেখা, বৈৰ এড়ি ভগৱন্তৰ ভক্তি কৰিলেসে ঈশ্বৰৰ ৰূপ দেখিৱে পাৱে, আনে নপাৱে। এতেকে দ্বেষ নকৰি হৰিভক্তি কৰি হৰিবোল হৰি।।

যস্মিন্ ৰিভাতিভুৱনং সুৰমর্ত্ত্যতীর্য্যক্
ভূগোলনাকবিলয়ায়ক লোকসঙ্ঘম্।
তদ্রূপমাৱিৰকৰোন্নিজপাদপদ্ম—
দাসায় যো কৰুণয়া তমহং প্রপদ্যে। ১৩।।

৩.৪ মূল পাঠৰ বিষয়বস্তু

গীতাৰ একাদশ অধ্যায় অর্থাৎ অর্জুনৰ 'বিশ্বৰূপ দর্শন' এক মহত্বপূর্ণ অধ্যায়। এই অধ্যায়ত অর্জুনৰ প্রবল ইচ্ছানুসৰি ঈশ্বৰ পুৰুষ শ্রীকৃষ্ণই অর্জুনক বিশ্বৰূপ প্রদর্শন কৰাইছে। কুৰুক্ষেত্রৰ ৰণভূমিত ৰথৰ ওপৰত কৃষ্ণৰ দ্বাৰা প্রদর্শিত বিশ্বৰূপৰ যি পৰিঘটনা এই সমস্ত দৃশ্যাৱলী এটি এটিকৈ ৰাজসভাৰ মজিয়াত কুৰুপতি ধৃতৰাষ্ট্রক দিব্যচক্ষুৰ জৰিয়তে সঞ্জয়ে জনাই আছে অবিৰতভাৱে।

অধ্যায়টিৰ প্রাৰম্ভতে অর্জুনে ঈশ্বৰ পুৰুষ শ্রীকৃষ্ণক জনালে যে শ্রীকৃষ্ণৰ মুখেৰে অবিৰতভাৱে দ্বিতীয় অধ্যায়ৰ পৰা ষষ্ঠ অধ্যায় পর্যন্ত শোক নিবৃত্তিৰ অর্থে যিমানবোৰ কথা শুনিলে এই সকলো শুনাৰ পিছত তেওঁৰ মনৰ পৰা মোহ লাহে লাহে নাইকীয়া হৈ পৰিছে। তদুপৰি তেওঁৰ সৃষ্টিতেই যে জগত সৃষ্টি তাৰো সৱিশেষ জ্ঞাত হ'ল। সেই অনুসৰি পৰম পুৰুষ ভগৱান শ্রীকৃষ্ণ জগতৰ আদিকর্তা অথচ অবিকাৰ, সর্বনিয়ন্ত্রণ অথচ অবৈষম্য, শুভাশুভ কর্ম কৰোঁতা অথচ অসঙ্গ বন্ধমোক্ষ, বিচিত্র ফল দিওতা অথচ গভীৰভাৱে উদাসিন সেই কথাও অজুর্নে কৃষ্ণমুখে জানিবলৈ সক্ষম হ'ল। কিন্তু ইমানখিনি তেওঁৰ ঐশ্বর্যৰ বিষয়ে জনাৰ পিছতো অজুর্নে স্বয়ং ঈশ্বৰ ৰূপক নিজ চকুৰে প্রত্যক্ষ কৰাৰ যি কৌতুহল তাক মনৰ পৰা আঁতৰাব নোৱাৰিলে। সেয়েহে তেওঁক যদি যদুপতি কৃষ্ণই যোগ্য অনুভৱ কৰে তেতিয়া হ'লে কৃষ্ণৰ সেই বিশ্বৰূপ তেওঁৰ আগত তুলি ধৰিবলৈ বিনম্রে অনুৰোধ জনালে।

অর্জুনৰ এই আকুণ্ঠ নিবেদনত শ্রীকৃষ্ণই নিজৰ সেই ৰূপ দেখুওৱাৰ ইচ্ছাৰে অর্জুনক ক'লে— "হে অর্জুন, মোৰ এই দিব্য-বর্ণ আকৃতি বিশিষ্ট ৰূপ চাই লোৱা, যি দিব্য ৰূপত দ্বাদশ আদিত্য, অষ্ট বসু, একাদশ ৰুদ্র, দুই অশ্বিনীকুমাৰ, ঊনপঞ্চাশ বায়ু বিদ্যমান, যি ৰূপ কাহানিও কোনোৱে দেখা নাই, অথবা সৌভাগ্য হোৱা নাই কাৰোৰে, যি ৰূপত মোৰ শৰীৰ বক্ষত সমগ্র জগত থুপ খাই আছে সেই ৰূপ তোমাৰ ইচ্ছানুসৰিয়েই দেখিবলৈ পাবা।" কিন্তু সেই ৰূপ অর্জুনে কেৱল চর্মচক্ষুৰে দেখিবলৈ নাপাব। সেয়েহে ঈশ্বৰ পুৰুষে অর্জুনক দিব্য চকু দান কৰি তেওঁ সেই বহু-প্রত্যাক্ষিত ৰূপ প্রদর্শন কৰিবলৈ আগবাঢ়িল।

শ্রীকৃষ্ণৰ বিশ্বৰূপৰ এই সমগ্র দৃশ্যাৱলী ধৃতৰাষ্ট্রৰ সমুখত সঞ্জয়ে এফালৰ পৰা দাঙি ধৰিলে— কৃষ্ণৰ এই ৰূপ এফালে দিব্যময় ভূষণৰঞ্জিত পৰম সুন্দৰ, অথচ আনফালে মহা

ভয়ংকৰ, সেই ৰূপ অজস্ৰ মুখ-বিশিষ্ট, নয়ন লক্ষ্য কৌটিৰ সমাহাৰ, দেহ নানাবিধ দিব্য অলংকাৰেৰে বিভূষিত, পাৰিজাত-মন্দাৰৰ গন্ধেৰে প্লাৱিত; যাৰ দীপ্তিত শত-সহস্ৰ সূৰ্যৰ দীপ্তিও ক্ষুদ্রময়, যি ৰূপৰ বৰ্ণনা সাধাৰণ মানুহৰ কল্পনাৰে মুঠেও নহয় সম্ভৱ, সেই ৰূপকে অর্জুনক কৃষ্ণই দর্শন কৰালে। অর্জুনে নিজ চকুৰে এনে ৰহস্যময় তথা দিব্য শক্তিময় অথচ ভয়ংকৰ ৰূপ প্রত্যক্ষ কৰি তেওঁৰ শৰীৰ ৰোমাঞ্চিত হ'ল, দেহৰ সমস্ত নোম শিয়ঁৰি উঠিল আৰু কৃষ্ণৰ প্রতি প্রণাম জনাই পুনৰ আৰম্ভ কৰিলে কৃষ্ণৰ ৰূপৰ বৰ্ণনা— হে দেৱ, জীৱ আৰু জড় তোমাতেই ব্যাপ্ত। তোমাতে দেখা পাওঁ সকলো দেৱৰ্ষি মণ্ডলী, তক্ষ্যমণ্ডলী, দেখা পাওঁ 'ব্রহ্মাৰ স্বৰূপ' তোমাৰ নাভি কমলত। চৌদিশ কৃষ্ণময় অথচ তোমাৰ দেহৰ ক'তোৱেই আদি-অন্ত-মধ্যৰ আভাস নাই সমুলি। তোমাৰ অনন্তবীর্য, স্থিতিশূন্য, অনন্তবাহু, নয়নত তীক্ষ্নতৰ চন্দ্র-সূর্যৰ অগ্নিময়তা আৰু তেজে বিশ্বক এনেদৰে প্রকাশ কৰিব লাগিছে যাক কোনো সীমাৰে আৱদ্ধ কৰি ৰাখিব নোৱাৰি। দেৱতাসৱে তোমাতে অহৰহ মিনতি কৰিব লাগিছে; মহর্ষি, সিদ্ধপুৰুষসকলে জয়স্তুতিৰে স্তোত্র পাঠ কৰি আছে অহনির্যে। চকুত বিস্মিত সেই দৃশ্য, য'ত দেখা পাইছে। সমস্ত ৰুদ্রগণ, আদিত্যগণ, দেৱগণ, অশ্বিনীকুমাৰ, নষ্ট বসুগণ, বায়ুৰ সমষ্টি, গন্ধর্ব, অসুৰ, যক্ষ-ৰাক্ষস সমন্বিতে সিদ্ধগণে তোমাৰ ভয়ংকৰ ৰূপক বিস্ময় মানিব লাগিছে।

অর্জুনে আকৌ ক'লে যে আনৰ দৰে তেৱোঁ মহাবাহু কৃষ্ণৰ অলেখ মুখ-চকু-বাহু আৰু দন্তৰ সমাহাৰ দেখি কেৱল বিস্ময়েই নহয় ভীতিগ্রস্থও হৈ পৰিছে। আকাশ চুব খোজা মূৰ, দীপ্তমান শৰীৰৰ সীমাহীন বর্ণ, মুখ আৰু বিশাল নেত্র দেখি অর্জুন অধৈর্য হৈ পৰিছে। তেওঁ দেখিবলৈ পাইছে দেৱেশ্বৰ কৃষ্ণৰ মুখত ধুমুহাৰ গতিৰে ধৃতৰাষ্ট্রৰ পুত্র দুর্যোধনাদি বীৰসৱ, জয়দ্রথাদি ৰজাসকলৰ লগতে ভীষ্ম, কর্ণ, দ্রোণ আনকি পাণ্ডৱ কুলৰো শিখণ্ডী, ধৃষ্টদ্রোণাদি বীৰসকলে প্রৱেশ কৰিব লাগিছে, অথচ কৃষ্ণৰ দুপাৰি দাঁতৰ বাবে অভ্যন্তৰত প্রৱেশিব নোৱাৰি দাঁতৰ ফাকৰ মঙহৰ ৰূপ লৈছে। যিদৰে প্রচণ্ড অগনিৰ বুকুত মহাবেগে প্রৱেশ কৰি ফৰিঙৰ মৃত্যু ঘটে, অথবা তীব্রবেগী নদীৰ টোৰোৱা সাগৰত যিদৰে প্রৱেশ কৰে। তদ্রুপ অৱস্থা এই বীৰ সেনানীসকলৰো হৈছে। মৰণেই যেন তেওঁলোকৰ প্রৱল ইচ্ছা। কৃষ্ণৰ এই ভয়ংকৰ আৰু উগ্র ৰূপ দেখি অর্জুনে ইয়াৰ উদ্দেশ্যৰ বিষয়ে জানিবলৈ কৃষ্ণক প্রণিপাত জনালে।

অর্জুনৰ প্রশ্ন শুনি ভগৱান শ্রীকৃষ্ণই ক'লে যে তেওঁৱেই মহাকাল, যি মহাকাল কেৱল লোকক সংহাৰিবলৈকে যেন এই ধৰালৈ নামি আহিছে। কেৱল অর্জুনৰ বাহিৰে এই যুদ্ধলৈ অহাৰ বহু আগতেই ভীষ্মাদি বীৰসকলক তেওঁৱেই হত্যা কৰি থৈছে। সেয়ে তেওঁলোক পূর্বৰে পৰা মৃত, অর্জুনে ছায়ামূর্তি স্বৰূপ বীৰসকলৰ মৃত্যুৰ কাৰকহে মাথোন হ'ব লাগে। গতিকে ঈশ্বৰ পুৰুষে অর্জুনক পুনৰ গাণ্ডীব লৈ যুদ্ধত প্রবৃত্ত হৈ যশস্যা লভিবলৈ অনুৰোধ জনাইছে। কৃষ্ণৰ অভয়বাণীত অর্জুনে পুনৰ কঁপি কঁপি উঠি কৃষ্ণক প্রণাম জনাই যিখিনি কথা ক'লে সেই সমস্ত কথা ৰজা ধৃতৰাষ্ট্রক সঞ্জয়ে জনালে। অর্জুনে পুনৰ ক'বলৈ ধৰিলে— "হে হৃষীকেশ, তোমাৰ এই অদ্ভুত প্রভাৱৰ বাবেইতো মোতে আদি কৰি সমস্ত জগতে তোমাক কীর্তন কৰি পৰম আনন্দ লাভ কৰে। কিন্তু ৰাক্ষসবোৰে মহাভয়ত কম্পমান হৈ দশোদিশ পলায়ন কৰে আৰু সিদ্ধপুৰুষে সদায় তোমাৰেই নাম লৈ নতশিৰ কৰে। কিয়নো তুমিয়েতো সর্বনিয়ন্ত্রা, ব্রহ্মাৰ

গুৰু, পিতৃ আৰু কার্য আৰু কাৰণৰ মূল পৰম ব্রহ্ম। তুমিয়ে আদি দেৱ, পুৰাণ পুৰুষ, পৰম আশ্রয়ৰো স্থল তুমিয়ে, অপৰিমিত বিশ্বতো তুমিয়ে ব্যাপি আছা। গতিকে কি হেতু জগতে তোমাক নমস্কাৰ নকৰিব। বায়ু, যম, অগ্নি, বৰুণ, চন্দ্র, প্রজাপতি আদি সকলো দেৱতা তুমি" বুলি কৈ অর্জুনে কৃষ্ণক পুনৰ এবাৰ নমস্কাৰ জনাই নিজৰ ধৃষ্টতাৰ বাবে ক্ষমা খুজিলে, কিয়নো জানিত অথবা অজানিত ভুল আৰু মূঢ়তাৰ বাবে বহুবাৰ কৃষ্ণ কায চাপি গৈছে অর্জুন, বাৰম্বাৰ সম্বোধন কৰিছে– কেতিয়াবা কৃষ্ণ, কেতিয়াবা সখা অথবা কেতিয়াবা যাদৱ বুলি। কেৱল সেয়াই নহয় কৃষ্ণৰ বিশ্বৰূপক নাজানি কেতিয়াবা প্রমাদবশতঃ অথবা প্রণয় কিম্বা পৰিহাসবশতঃ শোঁওতে-বহোঁতে, খাওঁতে-লওঁতে, কেতিয়াবা অকলে অথবা কেতিয়াবা সখীসৱৰ মাজত তিৰস্কাৰো হয়তু কৰিছে তাৰ বাবেও অর্জুনে কৃষ্ণত ক্ষমা খুজিছে। যিদৰে পৰম দোষকো মার্জনা কৰে পিতাই পুত্রক, সখাই সখাক আৰু প্রিয়জনে আপোনজনক।

অর্জুনে ক্ষমা খুজি আকৌ ক'লে— "হে মহান, অনুপাম, এই ত্রিলোকৰ তুমি সমস্ততে পিতা-মাতা আৰু গুৰুতো অধিকজন হৈ ব্যাপি আছা, তোমাৰ সমান অথবা মহান এই ব্রহ্মাণ্ডত আন একোৱে নাই। হে দেৱ, তোমাৰ এই আন কালে কোনোৱে নেদেখা বিশ্বৰূপ দেখি যিমান পুলকিত হ'লো সমানে ভয়ো খালোঁ, গতিকে হে মহান, তুমি আগৰ দৰেই চতুভূর্জ ৰূপত জিলিকি উঠা। চাবলৈ মোৰ হেঁপাহ জন্মিছে তোমাৰ শিৰৰ মুকুট, হাতত গদা, ঘুর্ণিত চক্রৰ সতে সেই চিৰ-চিনাকি কৃষ্ণৰ ৰূপ।"— এই কথা শুনি অর্জুনক কৃষ্ণই ক'লে যে তেওঁৰ ভয় খোৱাৰ কাৰণ সমুলি নাই। এই দৃশ্য দেখাৰ মাথোন অর্জুনৰ বাবে মাথোন সম্ভৱ হৈছে। যাক ইমানদিনে কঠিন তপস্যা কৰি, বেদ পঢ়ি, যজ্ঞ কৰি, শাস্ত্রৰ সাঁথৰ ভাঙি, ব্রত পালি, দান-দক্ষিণা দিও সফল হ'বলৈ অক্ষম সেই ৰূপ কেৱল অর্জুনৰ বাবেই তেওঁ প্রদর্শন কৰালে। এইখিনি কৈয়েই কৃষ্ণই অর্জুনৰ সমুখত পূর্বৰ চিনাকি অপূর্ব ৰূপ ধাৰণ কৰিলে। অর্জুনৰ মুখত লগে লগে হাঁহি বিৰিঙি উঠিল। এই সমস্ত কথাৰ বিৱৰণ সঞ্জয়ে মহাৰাজ ধৃতৰাষ্ট্রৰ আগত ব্যক্ত কৰিলে।

জনার্দন কৃষ্ণৰ এই মনুষ্যৰূপ দেখি অর্জুনে পৰম প্রসন্ন আৰু প্রশান্তি অনুভৱ কৰিলে। কৃষ্ণই মাথোন ক'লে যে, এই ৰূপ মাথোন অর্জুনৰ বাবেই সম্ভৱ হৈছে। যি ৰূপ আজি অর্জুনে প্রত্যক্ষ কৰিলে সেই ৰূপ চাবলৈ ক'তজনে হেজাৰ তপস্যা, দান আৰু যজ্ঞৰেও সম্ভৱ নহ'ল। তেওঁ আৰু ইয়াকো ক'লে যে যিজনে হৃদয়ত কেৱল কৃষ্ণৰ স্বৰূপক অৱলম্বন ৰূপে ৰাখি ভক্তিৰে ওপচাব পাৰিছে অথবা যিজনে আসক্তিত দুব নগৈ সেই কর্ম মাথোন তেওঁতেই সপি দিব, ভজনা কৰিব, পুত্রাদিৰ সঙ্গ এৰিব, কাৰো সৈতে বৈৰীতা ভাব পোষণ নকৰিব সেই জনেহে মাথোন তেওঁক লভিব।

এই অধ্যায়টোৰ জৰিয়তে আমি গম পাব পাৰোঁ যে ইয়াত অর্জুনক দ্বিধাগ্রস্ত মানৱৰ প্রতীক ৰূপে চিহ্নিত কৰি বিবেকৰূপী কৃষ্ণই তেওঁক তেওঁৰ কর্ম সম্পর্কে সোঁৱৰাই দিছে। লগতে কৃষ্ণই যে পৰম ব্রহ্মৰ স্বৰূপ সেই কথা ব্যক্ত কৰিছে। দুষ্টক দমন তথা আসুৰিক চৰিত্রসমূহক সংহাৰ কৰিবলৈ এই পৃথিৱীত ভগৱানৰ আৱির্ভাব ঘটে। অর্জুনৰ জৰিয়তে শত্রুক নিধন কৰি সত্য প্রতিষ্ঠা কৰাটোৱেই ঈশ্বৰ পুৰুষ শ্রীকৃষ্ণৰ মূল উদ্দেশ্য। মন কৰিবলগীয়া যে

ভট্টদেৱে গীতাৰ প্ৰতিটো অধ্যায়ৰ শেষত নিজাকৈ একোটা টিপ্পনি সংযোগ কৰিছে আৰু তাৰ মাজেদিয়েই অধ্যায়টোৰ মূল কথাখিনি ব্যক্ত কৰিছে। এই অধ্যায়টোতো— "হে সাধুসকল, গতিকে বৈৰী ভাব এৰি ভক্তিত নিজকে সমৰ্পণ কৰা, তেতিয়াহে ভগৱন্তক সাক্ষাৎ কৰিবলৈ সক্ষম হ'বা। এতেকে দ্বেষ নকৰি হৰিভক্তি কৰি হৰিবোল হৰিবোল।" বুলি মন্তব্য কৰি ভগৱন্তৰ গুণ-গৰিমা প্ৰচাৰ কৰিছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ : অৰ্জুনে শ্ৰীকৃষ্ণক বিশ্বৰূপ দেখুৱাবলৈ কিয় অনুৰোধ জনাইছিল ?

.....

প্ৰশ্ন নং ২ : বিশ্বৰূপ দৰ্শনৰ পূৰ্বে শ্ৰীকৃষ্ণই অৰ্জুনক কি দান কৰিছিল আৰু কিয় ?

.....

প্ৰশ্ন নং ৩ : বিশ্বৰূপ দৰ্শন কৰি অৰ্জুনৰ মনত কেনে অনুভূতিৰ সৃষ্টি হৈছিল ?

.....

প্ৰশ্ন নং ৪ : শ্ৰীকৃষ্ণই নিজকে 'মহাকাল' বুলি কোৱাৰ তাৎপৰ্য কি ?

.....

প্ৰশ্ন নং ৫: 'বিশ্বৰূপ দৰ্শন' অধ্যায়টোৰ মূল শিক্ষা কি ?

.....

t চিন্তা-চৰ্চা কৰক— ৩.১

এই অধ্যায়টোৰ 'ভট্টদেৱৰ গদ্য-ৰীতি' শীৰ্ষক উপশাখাটোক মূল আধাৰ হিচাপে লৈ আপোনাৰ পাঠ্যবিষয় 'বিশ্বৰূপ দৰ্শন'ৰ পৰা উদাহৰণ দাঙি ধৰি ভট্টদেৱৰ গদ্য-শৈলী সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

2 ৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৰ্জুনে শ্ৰীকৃষ্ণৰ মুখেৰে আত্মা, পৰমাত্মা আৰু জগতৰ সৃষ্টি-স্থিতি-লয়ৰ বিষয়ে জ্ঞান লাভ কৰি তেওঁৰ মোহ দূৰ কৰিছিল।
- শ্ৰীকৃষ্ণৰ ঐশ্বৰ্য আৰু মহিমা প্ৰত্যক্ষভাৱে চাবলৈ অৰ্জুনে বিশ্বৰূপ দৰ্শনৰ ইচ্ছা প্ৰকাশ কৰিছিল।
- শ্ৰীকৃষ্ণই অৰ্জুনক দিব্যচক্ষু প্ৰদান কৰি নিজৰ বিশ্বৰূপ দৰ্শন কৰাইছিল।

- বিশ্বৰূপত অসংখ্য মুখ, নেত্ৰ, বাহু, দিব্য অলংকাৰ, অস্ত্ৰ আৰু সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ অস্তিত্ব প্ৰকাশ পাইছিল।
- অৰ্জুনে সেই বিশ্বৰূপত সকলো দেৱতা, ঋষি, জীৱ-জন্তু আৰু সমগ্ৰ সৃষ্টিজগতক একেলগে অৱস্থিত দেখা পাইছিল।
- বিশ্বৰূপৰ অপাৰ তেজ, শক্তি আৰু ভয়ংকৰ ৰূপ দেখি অৰ্জুন বিস্মিত আৰু ভীত হৈছিল।
- শ্ৰীকৃষ্ণই নিজকে মহাকাল বুলি পৰিচয় দি কুৰুক্ষেত্ৰৰ বীৰসকলৰ বিনাশ পূৰ্বনিৰ্ধাৰিত বুলি ঘোষণা কৰিছিল।
- অৰ্জুনক কেৱল ঈশ্বৰৰ ইচ্ছা পূৰণৰ নিমিত্তমাত্ৰ হৈ কৰ্তব্যপালন কৰিবলৈ উপদেশ দিয়া হৈছিল।
- নিজৰ অজ্ঞতা আৰু ধৃষ্টতাৰ বাবে অৰ্জুনে শ্ৰীকৃষ্ণৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছিল।
- অৰ্জুনৰ অনুৰোধত শ্ৰীকৃষ্ণই পুনৰ নিজৰ চতুৰ্ভুজ আৰু মানৱীয় ৰূপ ধাৰণ কৰিছিল।
- শ্ৰীকৃষ্ণই স্পষ্টকৈ কৈছিল যে একনিষ্ঠ ভক্তিৰ দ্বাৰাহে তেওঁৰ প্ৰকৃত স্বৰূপ উপলব্ধি আৰু দৰ্শন সম্ভৱ।
- অধ্যায়টোৰ মূল শিক্ষা হৈছে— বৈৰ-ভাব ত্যাগ কৰি একাগ্ৰচিত্তে ভগৱন্তৰ ভক্তি কৰিলে ঈশ্বৰপ্ৰাপ্তি সম্ভৱ হয়।

৩.৬ অধিক জানিবলৈ

কটকী, প্ৰফুল্ল (১৯৮৮); *ক্ৰমবিকাশত অসমীয়া কথা শৈলী*; গুৱাহাটীঃ বীণা লাইব্ৰেৰী।

গোস্বামী, ভৃগুমোহন (সম্পা.) (১৯৯৪); *ভট্টদেৱৰ কথা-গীতা*; গুৱাহাটীঃ নিউ বুক ষ্টল।

নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটীঃ চন্দ্ৰ প্ৰকাশ।

নেওগ, মহেশ্বৰ (সম্পা.) (১৯৮২); *কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্য*; গুৱাহাটী।

দাস, নাৰায়ণ (১৯৯৬); *ভট্টদেৱঃ জীৱন আৰু সাহিত্য কৃতি*; গুৱাহাটীঃ বীণা লাইব্ৰেৰী।

নাথ, প্ৰফুল্ল কুমাৰ (২০১২); *অসমীয়া গদ্য সাহিত্যৰ পৰিচয়*; নগাঁওঃ ক্ৰান্তিকাল প্ৰকাশন।

নাথ, প্ৰফুল্ল কুমাৰ (২০০৮); *পুৰণি অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটীঃ বুকলেণ্ড।

ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙণি*; গুৱাহাটীঃ বনলতা।

বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড)*; গুৱাহাটীঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); *অসমীয়া কথা সাহিত্য*; নলবাৰীঃ জাৰ্ণাল এম্পৰিয়াম।

শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটীঃ সৌমাৰ প্ৰকাশ।

শৰ্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটীঃ বীণা লাইব্ৰেৰী।

শৰ্মা দলৈ, হৰিনাথ (১৯৯২); *অসমীয়া গদ্য-সাহিত্যৰ গতিপথ*; নলবাৰীঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।

K ৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : শ্রীকৃষ্ণৰ মুখেৰে তেওঁৰ ঐশ্বর্য, সৃষ্টিৰহস্য আৰু পৰম ব্রহ্ম স্বৰূপৰ বিষয়ে জানি অর্জুনৰ মনৰ মোহ দূৰ হৈছিল। তথাপি তেওঁ সেই ঈশ্বৰীয় বিশ্বৰূপ স্বচক্ষে দেখাৰ প্রবল ইচ্ছা অনুভৱ কৰিছিল। সেয়ে তেওঁ বিনয়েৰে শ্রীকৃষ্ণক বিশ্বৰূপ দর্শন কৰাবলৈ অনুৰোধ জনাইছিল।

২ নং প্রশ্নৰ উত্তৰ : শ্রীকৃষ্ণই অর্জুনক দিব্যচক্ষু দান কৰিছিল। কাৰণ সাধাৰণ চর্মচক্ষুৰে তেওঁৰ বিশ্বৰূপ দর্শন কৰা সম্ভৱ নাছিল। সেই অলৌকিক ৰূপ দেখিবলৈ দিব্যদৃষ্টিৰ প্রয়োজন আছিল।

৩ নং প্রশ্নৰ উত্তৰ : বিশ্বৰূপ দর্শন কৰি অর্জুন একে সময়তে বিস্ময়, ভক্তি আৰু ভয়ত অভিভূত হৈছিল। কৃষ্ণৰ অসীম শক্তি, অগণন মুখ, চকু, বাহু আৰু ভয়ংকৰ ৰূপ দেখি তেওঁৰ শৰীৰ ৰোমাঞ্চিত হৈছিল আৰু তেওঁ বাৰম্বাৰ কৃষ্ণক প্রণাম জনাইছিল।

৪ নং প্রশ্নৰ উত্তৰ : শ্রীকৃষ্ণই ক'লে যে তেওঁৰেই মহাকাল, অর্থাৎ সকলো সৃষ্টি আৰু সংহাৰৰ নিয়ন্তা। যুদ্ধত ভীষ্ম, দ্রোণ, কর্ণ আদি বীৰসকলৰ বিনাশ পূর্বনির্ধাৰিত; অর্জুন কেৱল সেই কার্য সম্পন্ন কৰাৰ মাধ্যমহে। ইয়াৰ দ্বাৰা কর্ম সম্পাদনত ঈশ্বৰৰ ইচ্ছাৰ গুৰুত্ব প্রকাশ পাইছে।

৫ নং প্রশ্নৰ উত্তৰ : এই অধ্যায়টোৰে দেখুৱায় যে শ্রীকৃষ্ণ পৰম ব্রহ্ম আৰু সমগ্র বিশ্বব্রহ্মাণ্ডৰ নিয়ন্তা। ভক্তি, আত্মসমর্পণ আৰু কর্তব্যপালনৰ মাজেৰেহে ঈশ্বৰ লাভ সম্ভৱ। ভট্টদেৱে অধ্যায়টোৰ শেষত বৈৰী ভাব ত্যাগ কৰি হৰিভক্তিত আত্মনিয়োগ কৰাৰ উপদেশ দিছে।

M ৩.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ : তলত দিয়া প্রসমূহৰ উত্তৰ লিখক

ক) গীতাৰ একাদশ অধ্যায়ৰ নাম কি ?

খ) অর্জুনক বিশ্বৰূপ দর্শন কৰাইছিল কোনে ?

গ) বিশ্বৰূপ দর্শনৰ বাবে কৃষ্ণই অর্জুনক কি দান কৰিছিল ?

ঘ) কৃষ্ণই নিজকে কি বুলি পৰিচয় দিছিল ?

ঙ) কৃষ্ণৰ মতে কোনে তেওঁক লাভ কৰিব পাৰে ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : অর্জুনে কিয় কৃষ্ণক বিশ্বৰূপ দেখুৱাবলৈ অনুৰোধ কৰিছিল ?

প্রশ্ন ২ : বিশ্বৰূপ দর্শনৰ সময়ত অর্জুনৰ কি অৱস্থা হৈছিল ?

প্রশ্ন ৩ : সঞ্জয়ে কাৰ আগত বিশ্বৰূপ দর্শনৰ বিৱৰণ দিছিল ?

প্রশ্ন ৪ : কৃষ্ণই কিয় অর্জুনক পুনৰ যুদ্ধ কৰিবলৈ উৎসাহিত কৰিছিল ?

প্রশ্ন ৫ : বিশ্বৰূপ দর্শনৰ পিছত অর্জুনে কৃষ্ণৰ ওচৰত কি প্রার্থনা কৰিছিল ?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : গীতাৰ একাদশ অধ্যায়ত বর্ণিত বিশ্বৰূপ দর্শনৰ ঘটনাটো বর্ণনা কৰা।

প্রশ্ন ২ : বিশ্বৰূপ দর্শনৰ সময়ত অর্জুনৰ অনুভূতি আৰু প্রতিক্রিয়া আলোচনা কৰা।

প্রশ্ন ৩ : কৃষ্ণই নিজকে 'মহাকাল' বুলি কোৱাৰ তাৎপর্য ব্যাখ্যা কৰা।

প্রশ্ন ৪ : গীতাৰ একাদশ অধ্যায়ত ভক্তিৰ মাহাত্ম্য কেনেদৰে প্রকাশ পাইছে আলোচনা কৰা।

প্রশ্ন ৫ : "অর্জুন দ্বিধাগ্রস্ত মানৱৰ প্রতীক আৰু কৃষ্ণ বিবেকৰ প্রতীক" — উক্তিটোৰ তাৎপর্য ব্যাখ্যা কৰা।